# নিৰস্ত্ৰীকৰণ, অপ্ৰসাৰণ আৰু ৰপ্তানি নিয়ন্ত্ৰণৰ ওপৰত ভাৰত-জাপানৰ পৰামৰ্শ

২৪ এপ্ৰিল ২০২৪

নিৰস্ত্ৰীকৰণ, অপ্ৰসাৰণ আৰু ৰপ্তানি নিয়ন্ত্ৰণৰ ওপৰত ভাৰত-জাপানৰ দশম পৰ্যায়ৰ পৰামৰ্শ ২৪ এপ্ৰিল ২০২৪ তাৰিখে টকিঅ'ত অনুষ্ঠিত হয়। দুয়োপক্ষই পাৰমাণৱিক, ৰাসায়নিক আৰু জৈৱিক ক্ষেত্ৰ, বাহিৰৰ মহাকাশ সুৰক্ষা, অপ্ৰসাৰণ সমস্যা, পৰম্পৰাগত অস্ত্ৰ আৰু ৰপ্তানি নিয়ন্ত্ৰণ সম্পৰ্কীয় নিৰস্ত্ৰীকৰণ আৰু অপ্ৰসাৰণৰ ক্ষেত্ৰত হোৱা উন্নয়নৰ ওপৰত মত বিনিময় কৰে।

২. ভাৰতীয় প্ৰতিনিধি দলটোৰ নেতৃত্ব দিয়ে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ যুটীয়া সচিব (নিৰস্ত্ৰীকৰণ আৰু আন্তঃৰাষ্ট্ৰীয় সুৰক্ষা পৰিক্ৰমা) শ্ৰীমতী মুয়ানপুই ছাইৱাইয়ে আনহাতে জাপানৰ প্ৰতিনিধি দলটোৰ নেতৃত্ব দিয়ে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ নিৰস্ত্ৰীকৰণ, অপ্ৰসাৰণ আৰু বিজ্ঞান বিভাগৰ সঞ্চালক প্ৰধান শ্ৰী কাটচুৰো কিটাগাৱাই।

**নতুন দিল্লী**
**২৪ এপ্ৰিল ২০২৪**